জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ১১৩/২০২২

# ডিফুত উগ্ৰপন্থী সংগঠনৰ আত্মসমৰ্পণকাৰী সদস্যলৈ আৰ্থিক সাহায্য প্ৰদান কৰাৰ লগতে কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## কাৰ্বি শান্তি চুক্তিৰ প্ৰতিটো দফা সফলতাৰে ৰূপাণয়ৰ বাবে চৰকাৰে পদক্ষেপ লৈছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৫ এপ্ৰিল ঃ** কাৰ্বি শান্তি চুক্তিৰ সফল ৰূপায়ণৰ বাবে অসম চৰকাৰৰ দায়বদ্ধতাৰ কথা দোহাৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহ মন্ত্ৰী অমিত শ্বাহে উত্তৰ পূৰ্বাঞ্চলত শান্তি প্ৰতিষ্ঠাৰ বাবে নিৰৱচ্ছিন্নভাৱে কাম কৰিছে আৰু তাৰ ফলশ্ৰুতিতে পাহাৰীয়া অঞ্চলটোলৈ চিৰস্থায়ী শান্তিৰ বাট মুকলি কৰি শেহতীয়া শান্তি চুক্তিখন স্বাক্ষৰিত হৈছে। এই শান্তি চুক্তিৰ পূৰ্ণ ৰূপায়ণে পাহাৰীয়া অঞ্চলটোক দেশৰ ভিতৰতে অন্যতম বিকশিত অঞ্চল হিচাপে গঢ়ি তুলিব। কাৰ্বি শান্তি চুক্তিৰ অন্তৰ্গত উগ্ৰপন্থী সংগঠনৰ আত্মসমৰ্পণকাৰী সদস্যক আৰ্থিক সাহায্য (ফিক্স ডিপ'জিট) প্ৰদান কৰাৰ লগতে কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধনৰ অংশ হিচাপে আজি ডিফুত অনুষ্ঠিত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই এইদৰে কয়।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কে এল এন এল এফৰ তিনিটা গোট, পি ডি চি কে, ইউ পি এল এ আৰু কে পি এল টিৰ সৰ্বমুঠ ১৯২৬ গৰাকী আত্মসমৰ্পণকাৰী সদস্যৰ ভিতৰত ১০৩০ গৰাকীক ৪ লাখ টকাকৈ ফিক্স ডিপ'জিটৰ পত্ৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰে।

তদুপৰি মুখ্যমন্ত্ৰীয়ে কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদলৈ ২০১৯-২০ আৰু ২০২১-২২ বৰ্ষত আগবঢ়োৱা বিশেষ পেকেজৰ অধীনত পৰিষদৰ অধীনৰ কপিলী, হাওৰাঘাট, লাংফেৰ, লাংহিন, কৰকাণ্ঠি, নুমাটি, চচেংধেণ্টা, ধনশিৰি, সিংহাসন, সৰুপথাৰ, দেওপানী আৰু নিলিপ সমষ্টিত ১০ কোটি টকাকৈ ব্যয়ৰে নিৰ্মাণ কৰা মিনি ষ্টেডিয়াম উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে ৩৬১৭.০১ লাখ টকা ব্যয়ৰে ৰূপায়ণ কৰা কেইবাটাও পথ প্ৰকল্পও মুকলি কৰে। সেইদৰে ৱেষ্ট ৱাটাৰ ট্ৰিটমেণ্ট প্লাণ্ট, কাৰ্বি হস্ততাঁত শিপিনীৰ উন্নয়ন, ডিফু আৰু হামৰেণত বাঁহেৰে নিৰ্মাণ কৰা জিলা পুথিভঁৰাল আৰু প্ৰেক্ষাগৃহ তথা জিলা সংগ্ৰহালয়ও ৰাইজৰ সেৱাত উৎসৰ্গা কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে অৱসৰ বিনোদনৰ সুবিধা হোৱাকৈ 'ডিফু টাউন লেক'ৰো উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কাৰ্বি শান্তি চুক্তি সফলভাৱে ৰূপায়ণৰ বাবে অসম চৰকাৰ দায়বদ্ধ আৰু এই দিশত ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰিছে। এই চুক্তি ৰূপায়ণৰ অংশ হিচাপে অসম চৰকাৰে আত্মসমৰ্পণকাৰী উগ্ৰপন্থীসকলৰ পুনৰ সংস্থাপনৰ দিশত পূৰ্ণ

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল আৰু তাৰ অংশ হিচাপে আজি তেওঁলোকক ৪ লাখ টকাকৈ ফিক্স ডিপ'জিট প্ৰদান কৰা হৈছে। এই কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যিসকল আত্মসমৰ্পণকাৰী সদস্যই এই পুঁজি লাভ কৰিবলৈ বাকী আছে তেওঁলোকে শীঘ্ৰে এই সুবিধা লাভ কৰিব। কাৰ্বি শান্তি চুক্তিৰ অন্তৰ্গত পৰিষদীয় এলেকাত এখন বিশ্ববিদ্যালয়, কৃষি মহাবিদ্যালয়, বিমান কোঠকে ধৰি বহু উন্নয়নমূলক প্ৰকল্প গঢ়ি তোলা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অঞ্চলটোত শান্তি আৰু বিকাশক নতুন গতি দিয়াৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৮ এপ্ৰিলত জিলাখনত উপস্থিত হৈ এক ৰাজহুৱা সভাত অংশ ল'ব।

অসমত এক অৰ্থনৈতিক বিপ্লৱৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কাৰ্বি আংলঙত প্ৰচুৰ সম্পদ আছে আৰু অব্যৱহৃত হৈ থকা বহু পৰিমাণৰ ভূমি আছে। ইয়াৰ উপযুক্ত ব্যৱহাৰৰ ওপৰত জোৰ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই আত্মসমৰ্পণকাৰী উগ্ৰপন্থীসকলক কৃষি আৰু বনজ সম্পদৰ ক্ষেত্ৰখনত আত্মনিয়োগ কৰিবলৈ আহ্বান জনায়।

পাৰ্বত্য এলেকা উন্নয়ন বিভাগৰ মন্ত্ৰী যোগেন মহন, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত আৰু গৃহ বিভাগৰ প্ৰধান সচিব নিৰজ বাৰ্মাইও সভাত ভাষণ প্ৰদান কৰে। অসম বিধান সভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিন, সাংসদ হৰেন সিং বে আৰু কামাখ্যা প্ৰসাদ তাছা, বিধায়কসকল ক্ৰমে বিদ্যাসিং ইংলেং, দৰচিং ৰংহাং আৰু ৰূপসিং তেৰাং, অসম চৰকাৰৰ প্ৰধান সচিব অবিনাশ যোশী, পৰিষদৰ কেইবাগৰাকীও কাৰ্যবাহী সদস্য আৰু পৰিষদীয় সদস্য এই সভাত উপস্থিত থাকে।

**বীঃগঃ**

**১৫-০৪-২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in